**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date : 18**-06-2024
**Time :** 1715 Hrs.

***ASSAMESE REGIONAL EVENING BULLETIN***
**::::::::::::::::::::::::::::::::::::**

বিগত কিছু দিন ধৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তত হৈ থকা ধাৰাষাৰ বৰষুণৰ ফলত পুনৰ ভালেমান অঞ্চল প্লাবিত হৈছে। ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধীকৰণৰ তথ্য অনুসৰি এই পৰ্যন্ত ৰাজ্যৰ ১৪খন জিলাৰ কমেও এক লাখ লোক বানত ক্ষতিগ্ৰস্ত হৈছে। কোকৰাঝাৰ, নলবাৰী, কৰিমগঞ্জত বিগত ২৪ ঘণ্টাত বৰষুণৰ ফলত বান পৰিস্থিতিৰ অবনতি ঘটিছে। ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা বিভাগে প্ৰকাশ কৰা অনুসৰি এতিয়ালৈ ৰাজ্যত তিনিশৰো অধিক গাঁও বানৰ কবলত পৰিছে। বানত তামুলপুৰ, বঙাইগাঁও, কোকৰাঝাৰ, কৰিমগঞ্জ, লখিমপুৰ, ওডালগুৰি, দৰং, ধেমাজি, নগাঁও, হোজাই, চিৰাং, বৰপেটা, বাক্সা, নলবাৰী, গোৱালপাৰা জিলা ব্যাপকভাৱে ক্ষতিগ্ৰস্ত হৈছে। ৰাজ্যৰ কেইবাখনো নদীৰ জলস্তৰ বিপদসীমাৰ ওপৰেৰে বৈ থকা বুলি দুৰ্যোগ প্ৰশমন বিভাগে প্ৰকাশ কৰিছে।

নগাঁও জিলাৰ কামপুৰ অঞ্চল বছৰৰ দ্বিতীয়টো বানত ক্ষতিৰ সন্মুখীন হৈছে। নেৰানেপেৰা বৰষুণ আৰু খান্দং জলবিদ্যুৎ প্ৰকল্পৰ পানী এৰি দিয়াত কামপুৰৰ বিস্তীৰ্ণ অঞ্চল বানৰ কবলত পৰিছে। কামপুৰ ৰাজহচক্ৰৰ কমেও ১০ খন গাঁও বাঢ়নি পানীয়ে বুৰাই পেলাইছে। ইপিনে, নলবাৰীত বুঢ়াদিয়া নৈৰ জলস্তৰ বৃদ্ধি পোৱাৰ ফলত কমেও ২০ গাঁও বানত বুৰ যোৱাৰ আশংকাই দেখা দিছে। লখোপুৰ, কেন্দুবাৰী, গান্ধীবস্তি, ভোজকুছিকে ধৰি কেইবাখনো গাঁও বানৰ ফলত ক্ষতিৰ সন্মুখীন হোৱাৰ আশংকাই দেখা দিছে। ইপিনে ধুবুৰী জিলাত ধাৰাষাৰ বৰষুণৰ ফলত গৌৰাং নৈ ফেনেফোটোকাৰে বাঢ়ি আহিছে। তদুপৰি নৈখনৰ খহনীয়াই বিলাসীপাৰা মায়াৰ চৰ সংযোগী মূল পথটোৰ একাংশ খহাই পেলাইছে। অঞ্চলটোৰ ৰাইজে জলসম্পদ বিভাগক ব্যৱস্থা গ্ৰহণৰ বাবে আহ্বান জনাইছে। বাক্সা জিলাৰ ৰংদিয়াপাৰাত বানৰ ফলত স্বাভাৱিক জীৱন-যাত্ৰা ব্যাহত হৈছে। পল্লা নৈৰ বাঢ়নি পানীয়ে জিলাখনৰ বিভিন্ন অঞ্চল আৰু কেইবাখনো বিদ্যালয় বুৰাই পেলাইছে। হাইলাকান্দি জিলাৰ বিভিন্ন প্ৰান্তৰ জনসাধাৰণ পুনৰ বানৰ ফলত ক্ষতিৰ সন্মুখীন হৈছে। জিলাখনৰ সৰসপুৰ অঞ্চলত কেইবাখনো বিদ্যালয় বানত বুৰ গৈছে। তদুপৰি সনবিলত গড়কাপ্তানি পথ পানীত বুৰ যোৱাৰ ফলত যোগাযোগ বিচ্ছিন্ন হৈছে। একেদৰে জিলাখনৰ সিৰিশপুৰ আৰক্ষী চকী পানীত বুৰ গৈছে। বজালী জিলাৰ পাঠশালাত পহুমৰা আৰু কালদিয়া নৈৰ জলপৃষ্ঠ বৃদ্ধি পোৱাৰ ফলত বান পৰিস্থিতি জটিল হৈছে। বৰপেটা জিলাত ধাৰাষাৰ বৰষুৰ ফলত নখান্দা, মৰাচাউলখোৱা আৰু কালদিয়া নৈৰ জলপৃষ্ঠ বৃদ্ধি পাইছে। আনহাতে দৰং জিলাত ব্ৰহ্মপুত্ৰকে ধৰি কেইবাখনো উপনৈৰ জলপৃষ্ঠ বৃদ্ধি পাই আছে।

ইফালে মেঘালয়ৰ ৰাটাচৰাত পুৱা ভূমিস্খলনৰ ফলত শিলচৰ-গুৱাহাটী সংযোগী ৬ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত যানবাহনসমূহ এতিয়াও আবদ্ধ হৈ আছে। ৰাতাচৰাত আজি পুৱতিনিশা পুনৰ ভূমিস্খলনৰ ঘটনা সংঘটিত হৈছে।

oooooooo

গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধীকৰণে বান পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি উত্তৰ গুৱাহাটীৰ পৰা দক্ষিণপাৰৰ মহাবিদ্যালয়লৈ অহা ছাত্ৰ-ছাত্ৰীৰ বাবে ৰোপৱেৰ টিকটত ৫০ শতাংশ ৰেহাই দিয়াৰ কথা ঘোষণা কৰিছে। প্ৰাধীকৰণৰ মুখ্য কাৰ্যবাহী বিষয়া আন্বামুথুন এম পিএ জাৰি কৰা নিৰ্দেশনা অনুসৰি বৈধ পৰিচয় পত্ৰ প্ৰদান কৰা ছাত্ৰ-ছাত্ৰীয়ে পৰৱৰ্তী ৩০ দিনৰ বাবে ৰোপৱেৰ টিকটত ৫০ শতাংশ ৰেহাই লাভ কৰিব।

oooooooo

ৰাজ্য চৰকাৰৰ মন্ত্ৰীসভাৰ কিছু সালসলনি ঘটোৱা হৈছে। সংসদীয় পৰিক্ৰমা বিভাগৰ হৈ মুখ্য সচিবে জাৰি কৰা এটা নিৰ্দেশ অনুসৰি মন্ত্ৰী কেশৱ মহন্তক পৰিবহণ, মীন আৰু আবকাৰী বিভাগৰ দায়িত্ব দিয়া হৈছে। আনহাতে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই পূৰ্বে মন্ত্ৰী কেশৱ মহন্তৰ হাতত থকা স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ দায়িত্ব নিজৰ হাতলৈ নিছে। কেশৱ মহন্তৰ হাতত পূৰ্বৰে পৰা থকা বিজ্ঞান, প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্তন তথা তথ্য প্ৰযুক্তি বিভাগৰ দায়িত্বৰ সালসলনি ঘটোৱা নাই। উল্লেখযোগ্য যে শেহতীয়া লোকসভা নিৰ্বাচনত সাংসদ হিচাপে নিৰ্বাচিত হোৱা পৰিমল শুক্লবৈদ্য পৰিবহণ, মীন আৰু আবকাৰী বিভাগৰ দায়িত্বত আছিল। পৰিমল শুক্লবৈদ্যৰ ধলাই সমষ্টিৰ বিধায়কৰ পদত্যাগ পত্ৰ আজি ৰাজ্যপালে গ্ৰহণ কৰিছে।

oooooooo

বিটিআৰত আজি দুদিনীয়া বাজেট অধিৱেশনৰ আৰম্ভ হৈছে। বিটিআৰৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োৱে প্ৰথম দিনাৰ অধিৱেশনত ২০২৪-২৫ বিত্তীয় বৰ্ষৰ বাবে প্ৰায় ২ হাজাৰ ২০০ কোটি টকাৰ বাজেট দাখিল কৰে।

oooooooo

গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অতিৰিক্ত ন্যায়াধীশ সুস্মিতা ফুকন খাউণ্ড আৰু মিতালী ঠাকুৰীয়াই আজি ন্যায়াধীশ হিচাপে শপতগ্ৰহণ কৰে। মুখ্য ন্যায়াধীশ বিজয় বিষ্ণয়ে ন্যায়াধীশ দুগৰাকীক শপতবাক্য পাঠ কৰোৱায়।

oooooooo

ঃসমাপ্তঃ